**Seven Days NSS Camp** **Dainik Agradut, 6th May, 2023, p.11**

# পণ্ডিত দীনদয়াল মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সাতদিনীয়া শিবিৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৫ মে' ঃ** গোৱালপাৰা জিলাৰ আমজোংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি চমুকৈ এনএছএছ গোটৰ উদ্যোগত পাহাৰতলী দ্বিতীয় খণ্ড গাঁৱত অলপতে সাতদিনীয়া বিশেষ শিবিৰ অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰজ্যোতি শৰ্মাই এক বিবৃতিযোগে জনোৱা মতে কাৰ্যসূচীৰূপে পাহাৰতলী দুই নম্বৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সদস্যসকলে বৃক্ষৰোপণ কৰে। বৃক্ষৰোপণৰ পাছত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দ্বাৰা পোষ্য গাঁও হিচাপে ঘোষণা কৰা পাহাৰতলী দ্বিতীয় খণ্ড গাঁৱত স্বচ্ছতা কাৰ্যসূচী ৰূপায়ণৰ উপৰি মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ সহকাৰী অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত নাৰী শিক্ষাৰ সবলীকৰণ, বিশুদ্ধ খোৱাপানীৰ ব্যৱহাৰ, সৰ্প দংশন আৰু ইয়াৰ প্ৰতিকাৰ, সেউজীয়া প্ৰযুক্তিৰ ব্যৱহাৰ, কম্পিউটাৰ শিক্ষাৰ প্ৰসাৰ আৰু ম'বাইলৰ প্ৰতি আসক্তি, গছ আৰু ইয়াৰ উপকাৰিতা সম্পৰ্কে গাঁওবাসীক অৱগত কৰে। তদুপৰি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত তথা ৩০ খন বিছনাযুক্ত ৰংজুলী খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ সহযোগত গাঁওখনত এখন বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়। বিশেষ শিবিৰৰ অন্তিম দিনৰ কাৰ্যসূচী হিচাপে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সদস্যসকলে শিশু শ্ৰমিক আৰু বাল্যবিবাহৰ ওপৰত এখন বাটৰ নাট প্ৰদৰ্শন কৰাৰ উপৰি গাঁওবাসী তথা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে সাতদিনীয়া এই বিশেষ শিবিৰৰ সামৰণি অনুষ্ঠানত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰকল্প বিষয়া ড° ক্ষীৰোধ শৰ্মাই সদস্যসকলক যোগাত্যৰ প্ৰমাণপত্ৰ প্ৰদান কৰে। সামৰণি অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰজ্যোতি শৰ্মাৰ লগতে স্থানীয় নাগৰিক উদ্ধৱ ৰাভা, সুনীল ৰাভা প্ৰমুখ্যে ভালেসংখ্যক লোক উপস্থিত থাকে বুলি মহাবিদ্যালয়ৰ অধ্যক্ষজনে প্ৰেৰণ কৰা বিবৃতিত উল্লেখ কৰিছে।